**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত ২৮০ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ আন্তঃগাঁথনি আৰু উন্নয়ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মহনে কৈছে যে এন ডি আৰ এফে বিগত বৰ্ষত সফলতাৰে ৯০০ৰো অধিক উদ্ধাৰ অভিযান চলাই ৩ হাজাৰৰো অধিক লোকৰ জীৱন ৰক্ষা কৰে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই ২০২৪ বৰ্ষৰ বিশ্ব একতা দিৱসৰ পূৰ্বে আজি নতুন দিল্লীত একতাৰ শপতবাক্য পাঠ কৰোৱায়।

৪। আমেৰিকাৰ হোৱাইট হাইছত ভাৰত আৰু আমেৰিকাৰ সম্বন্ধক প্ৰতিফলিত কৰি ভাৰতীয় মূলৰ আমেৰিকানসকলৰ দেশখনৰ প্ৰতি আগবঢ়োৱা অৱদানক সন্মান জনাই দেৱালী উদযাপন কৰা হয়।

৫। জাৰ্মানীত অনুষ্ঠিত হাইল' অপেন ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈসকলে আজি কেইবাখনো আকৰ্ষণীয় খেলত ভাগ ল'ব। **আৰু**

৬। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটোৱে পেৰিছ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। তেওঁ একতা নগৰত ২৮০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান আন্তঃগাঁথনি আৰু উন্নয়ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। পৰ্যটকৰ সুবিধা আৰু যাত্ৰা সুগম কৰি তোলাৰ লগতে এলেকাটোত বহনক্ষমতা প্ৰচেষ্টাৰ প্ৰতি সহায় আগবঢ়োৱাৰ উদ্দেশ্যে এই প্ৰকল্পটো নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। শ্ৰীমোদীয়ে **আৰম্ভ** পাঠ্যক্ৰমৰ ষষ্ঠ পৰ্যায়ত ৯৯ সংখ্যক উমৈহতীয়া প্ৰাৰম্ভিক পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলকো সম্বোধন কৰি ভাষণ দিব। উল্লেখযোগ্য যে এই বছৰ এই কাৰ্যসূচীৰ মূল বিষয়বস্তু হৈছে **আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰতৰ ৰূপৰেখা।** এই পাঠ্যক্ৰমৰ অধীনত ১৬ বিধ ভাৰতীয় অসামৰিক সেৱা আৰু ভূটানৰ ৩ বিধ অসামৰিক সেৱাৰ বিষয়াকে ধৰি মুঠ ৬৫৩গৰাকী প্ৰশিক্ষাৰ্থী বিষয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মহনে কৈছে যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে বিগত বৰ্ষত সফলতাৰে ৯০০ৰো অধিক উদ্ধাৰ অভিযান চলায় আৰু তিনি হাজাৰৰো অধিক লোকৰ জীৱন ৰক্ষা কৰে। নতুন দিল্লীত আজি আয়োজিত শ্বহীদ স্মৃতি সমাৰোহত শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমহনে লগতে কয় যে, এন ডি আৰ এফ আত্মনিৰ্ভৰশীলতাৰ প্ৰতীক হিচাপে আৰু নাগৰিকসকলৰ বিশ্বাস

হিচাপে উদ্ভাসিত হৈ উঠিছে। গৃহ সচিবগৰাকীয়ে উত্তৰাখণ্ড, বায়নাড, অন্ধ্ৰপ্ৰদেশ আৰু ছিকিমৰ দুৰ্যোগৰ সময়ত এন ডি আৰ এফে সাহসেৰে চলোৱা অভিযানৰ কথা অৱগত কৰে। তেওঁ কয় যে, দেশে সদায়ে শ্বহীদসকলৰ সাহসিকতা আৰু দায়বদ্ধতাক সোঁৱৰণ কৰিব।

০০০০০০০

অসমত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৬ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে। সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০

অসমত অহা ১৩ নৱেম্বৰত পাঁচটা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। আনহাতে চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ১১গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হোৱাৰ লগতে তিনিগৰাকীৰ মনোনয়ন নাকচ হৈছে। ধলাই সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী এগৰাকীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। উল্লেখযোগ্য যে উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই ২০২৪ বৰ্ষৰ বিশ্ব একতা দিৱসৰ পূৰ্বে আজি নতুন দিল্লীত একতাৰ শপতবাক্য পাঠ কৰোৱায়। এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত স্বাস্থ্য দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰতাপৰাও যাদৱ আৰু বিভাগীয় সচিব পুণ্য ছালিলা শ্ৰীবাস্তৱৰ লগতে জ্যেষ্ঠ বিষয়াসকলে শপতগ্ৰহণ কৰে।

উল্লেখযোগ্য যে চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৩১ অক্টোবৰত বিশ্ব একতা দিৱস উদযাপন কৰা হৈ আহিছে। দেশক ঐক্যবদ্ধ কৰি ৰখাৰ ক্ষেত্ৰত চৰ্দাৰ পেটেলৰ দৃষ্টিভংগী আৰু নেতৃত্বই পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি সন্মান জনোৱাৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়।

অনুষ্ঠানত ভাষণ দি স্বাস্থ্য মন্ত্ৰী নাড্ডাই **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** নীতিৰ ভেটি দৰাচলতে চৰ্দাৰ বল্লভভাই পটেলে নিৰ্মাণ কৰিছিল বুলি উল্লেখ কৰে। এখন ঐক্যবদ্ধ তথা প্ৰগতিশীল সমাজৰ বান্ধোনেৰে ৰাষ্ট্ৰীয় একতাক দৃঢ়তৰ কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতবৰ্ষক অনন্য ৰূপ প্ৰদান কৰা সামগ্ৰিকতা তথা বৈচিত্ৰ্য প্ৰতিফলিত হোৱা নীতিক কাৰ্যকৰী কৰাটো আমাৰ দায়বদ্ধতা।

০০০০০০০

অসমকে ধৰি সমগ্ৰ দেশজুৰি পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ৰাম জনমভূমি মন্দিৰতো প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

অযোধ্যাত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে নতুন বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি জানিব পৰা গৈছে। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰিবলগীয়া দীপাৱলী উৎসৱ বিশেষভাৱে ব্যতিক্ৰম হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰৰ মহাঅভিষেকৰ পাছৰ **দীপোৎসৱ ২০২৪** হিচাপে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিব। সৰযু নৈৰ পাৰত ২৮ লাখ চাকি প্ৰজ্বলন কৰি ৰাম মন্দিৰ পোহৰাই তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

oooooooo

ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ছট পূজা উপলক্ষে জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি হাজাৰৰো অধিক বিশেষ ৰে'ল চলাচল কৰোৱাইছে। যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ২ হাজাৰ ৫০০ৰো অধিক বিশেষ ৰে'লৰ চলাচল কৰোৱাইছে। অলপতে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, বিগত বৰ্ষৰ ৪ হাজাৰ ৫০০ খন ৰে'ল চলাচল কৰাৰ তুলনাত চলিত বৰ্ষত ৭ হাজাৰ খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছে।

oooooooo

আমেৰিকাৰ হোৱাইট হাইছত ভাৰত আৰু আমেৰিকাৰ সম্বন্ধক প্ৰতিফলিত কৰি ভাৰতীয় মূলৰ আমেৰিকানসকলৰ দেশখনৰ প্ৰতি আগবঢ়োৱা অৱদানক সন্মান জনাই দেৱালী উদযাপন কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত এৰিক গাৰছেট্টীয়ে ভাৰতীয়মূলৰ আমেৰিকাসকলৰ অমূল্য অৱদানক প্ৰশংসা কৰাৰ লগতে দেৱালীৰ তাৎপৰ্যৰ কথা অৱগত কৰে।

ইফালে আমেৰিকাৰ প্ৰথম মহিলা জিল বাইডেন আৰু ৰাষ্ট্ৰপতি জ' বাইডেনে পৰহি হোৱাইট হাউছত দেৱালী উদযাপন কৰে। এই কাৰ্যসূচীৰ বাবে আমেৰিকাৰ বিভিন্ন প্ৰান্তত বসবাস কৰা ভাৰতীয় মূলৰ আমেৰিকাসকলক নিমন্ত্ৰণ জনোৱা হয়। ৰাষ্ট্ৰপতি আৰু প্ৰথম মহিলা হিচাপে এইটো হৈছে তেওঁলোকৰ অন্তিমটো দেৱালী উদযাপন। বিগত বৰ্ষসমূহত তেওঁলোকে ভাৰতীয় চহকী সংস্কৃতিক প্ৰতিফলিত কৰি দেৱালী উদযাপনে এটা অনন্য মাত্ৰা প্ৰদান কৰে।

oooooooo

জাৰ্মানীত অনুষ্ঠিত হাইল' অপেন ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈসকলে আজি তেওঁলোকৰ আৰম্ভণিৰ পৰ্যায়তে কেইবাখনো আকৰ্ষণীয় খেলত ভাগ ল'ব। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ শাখাৰ নিজৰ প্ৰথমখন খেলত ভাৰতৰ আয়ুষ শ্বেট্টীয়ে ফিনলেণ্ডৰ জোৱাকিম অ'ল্ডৰ্ফৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে এছ শংকৰ মুথুছামী সুব্ৰমনিয়ন ইংলেণ্ডৰ হেৰী হুৱাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সতীশ কুমাৰ আৰু চিৰাগ সেন পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে তৰুণ মান্নেপাল্লীয়ে ৰোমানিয়াৰ ক'লিন্স ভেলেণ্টাইন ফিলিমনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

মহিলাৰ ছিংগলছ শাখাৰ ৰাউণ্ড অৱ থাৰ্টি টু শিতানত ভাৰতৰ কেয়ুৰা মোপাতি ডেনমাৰ্কৰ আন্না ছিয়েছ ৰেইবাৰ্গৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে মিক্সড ডাবলছত সতীশ কুমাৰ কুৰুণাকৰণ আৰু আদ্য ৰেৰিয়াটৰ যুঁটীটো স্কটলেণ্ডৰ আডাম প্ৰিংগ্‌ল আৰু ৰাচেল এড্ৰিউৰ সন্মুখীন হ'ব।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ শাখাৰ নিজৰ প্ৰথমখন খেলত কালি ভাৰতৰ মালৱিকা বাণ্ডুড়ে বুলগেৰিয়াৰ হ্লষ্টমিৰা প'প'ভ্স্কাক ২১-৬, ২১-১৭ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। একেদৰে ভাৰতৰ আন এগৰাকী খেলুৱৈ ৰক্সিতা শ্ৰীয়ে চীনা টাইপেইৰ য়ু চেন হুইক পৰাস্ত কৰি একেটা শাখাৰ ৰাউণ্ড অৱ ছিক্সটিনত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ শাখাৰ আন এখন খেলত কেয়ুৰা মোপাতিয়ে জাৰ্মানীৰ মিৰাণ্ডা উইলছনক ২১-১৫, ২১-১৫ৰ ব্যৱধানৰ পৰাস্ত কৰে।

এইবাৰৰ প্ৰতিযোগিতাত ভাৰতৰ মুঠ ১১ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। হাইল' ছুপাৰ ছিৰিজ থ্ৰী হাণ্ড্ৰেড নামেৰেও পৰিচিত হাইল' অপেন বেডমিণ্টন প্ৰতিযোগিতাত ১৯৮৮ চনৰ পৰা অনুষ্ঠিত হৈ আহিছে। এইবেলি এই প্ৰতিযোগিতাৰ কুৰি সংখ্যক সংস্কৰণ অনুষ্ঠিত হৈছে।

0000000

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটোৱে পেৰিছ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভ আৰু ব্ৰাজিলৰ মাৰ্ছেলো মেলোৰ যুটীটোক ৬-৪, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইপিনে, বোপন্না আৰু এবডেনৰ যুটীটোৱে ১০ নৱেম্বৰত ইটালীৰ টুৰিণত হ'বলগীয়া এ টি পি প্ৰতিযোগিতাৰ ফাইনেলতো স্থান নিশ্চিত কৰিছে।

0000000

সমাপ্ত